# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। দেশৰ পঞ্চদশগৰাকী উপৰাষ্ট্ৰপতি পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিমাচল প্ৰদেশ আৰু পাঞ্জাবৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ লগতে সাহায্য আৰু পুনৰ সংস্থাপন প্ৰচেষ্টাৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্য দুখনলৈ ৰাওনা হ'ব।

৩। মৰিচাছৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগুলামে ৮ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতত উপস্থিত হ'ব।

৪। সামাজিক মাধ্যমৰ মঞ্চসমূহ বন্ধ কৰি দিয়া সন্দৰ্ভত নেপাল চৰকাৰে পূৰ্বে আৰোপ কৰা নিষেধাজ্ঞা বাতিল কৰিছে।

*আৰু*

৫। আবু ধাবীত আজি সপ্তদশ এচিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

দেশৰ পঞ্চদশগৰাকী উপৰাষ্ট্ৰপতি পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হ'ব। এন ডি এ মিত্ৰজোটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দিতা হ'ব। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। সেই অনুসৰি দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ভিতৰত ৩৯১ গৰাকীৰ ভোট লাভ কৰা প্ৰাৰ্থীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি হিচাপে বিজয়ী হ'ব।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ ফলত এই নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

ooooo

এন ডি এ সমৰ্থিত উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনৰ প্ৰাৰ্থীত্বই দেশজুৰি উৎসাহৰ সৃষ্টি কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে চি পি ৰাধাকৃষ্ণন এগৰাকী উৎকৃষ্ট উপ-ৰাষ্ট্ৰপতি হ'ব, যিগৰাকীয়ে জ্ঞান আৰু অন্তৰ্দৃষ্টিৰে সকলোকে সমৃদ্ধ কৰিব বুলি জনসাধাৰণ পতিয়ন গৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিমাচল প্ৰদেশ আৰু পাঞ্জাবলৈ ৰাওনা হ'ব। দুয়োখন ৰাজ্যৰে বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ লগতে তেওঁ সাহায্য আৰু পুনৰ সংস্থাপন প্ৰচেষ্টাৰো বুজ ল'ব। প্ৰধানমন্ত্ৰীয়ে আজি বিয়লিলৈ হিমাচল প্ৰদেশৰ কাংৰা জিলাত থকা ধৰমশালাত উপস্থিত হ'ব। ধৰমশালাত তেওঁ হিমাচল প্ৰদেশৰ ৰাজ্যিক কৰ্তৃপক্ষৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হোৱাৰ লগতে প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত বাসিন্দাসকলৰ সৈতে বাৰ্তালাপ কৰিব। তেওঁ ক্ষতিগ্ৰস্ত অঞ্চলসমূহত কাম কৰি থকা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু আপদা মিত্ৰৰ কৰ্মীসকলকো সাক্ষাৎ কৰিব।

হিমাচল প্ৰদেশৰ পাছতেই প্ৰধানমন্ত্ৰীয়ে পাঞ্জাবলৈ ৰাওনা হ'ব। তেওঁ গুৰদাসপুৰত উপস্থিত হৈ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। পাঞ্জাবতো তেওঁ বান ক্ষতিগ্ৰস্ত অঞ্চলত কাম কৰি থকা এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু আপদা মিত্ৰৰ কৰ্মীসকলৰ লগতে জনসাধাৰণৰ সৈতেও বাৰ্তালাপ কৰিব। দুয়োখন ৰাজ্যৰে বান ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য আৰু পুনৰ সংস্থাপনৰ যোগেৰে সহায় সমৰ্থন কৰাটোৱে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ মূল উদ্দেশ্য।

ooooo

মৰিচাছৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগুলাম আৰু তেওঁৰ পত্নী বিনা ৰামগুলামে ৮ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰী ৰামগুলামৰ কাৰ্যকালত এয়া হ'ব তেওঁৰ দ্বিপাক্ষিক  কাৰ্যসূচীৰে প্ৰথমটো ভাৰত ভ্ৰমণ। ইয়াৰ পূৰ্বে ২০১৪ চনৰ মে' মাহত প্ৰধানমন্ত্ৰী ৰামগুলামে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত আছিল। প্ৰধানমন্ত্ৰী ৰামগুলামৰ এই ভ্ৰমণকালত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দুয়োখন দেশৰ কৌশলগত অংশীদাৰিত্ব বৃদ্ধিৰ উদ্দশ্যে আলোচনাত মিলিত হ'ব। ড০ ৰামগুলামে মুম্বাই, বাৰানসী, অযোধ্যা আৰু তিৰুপতিও ভ্ৰমণৰ কৰিব। মুম্বাইত তেওঁ এটা ব্যৱসায়িক অনুষ্ঠানতো উপস্থিত থাকিব।

ooooo

সামাজিক মাধ্যমৰ মঞ্চসমূহ বন্ধ কৰি দিয়াৰ বাবে নেপাল চৰকাৰে পূৰ্বে আৰোপ কৰা নিযেধাজ্ঞাৰ সিদ্ধান্ত বাতিল কৰিছে। উল্লেখযোগ্য যে কালি সামাজিক মাধ্যমৰ মঞ্চসমূহ বন্ধ কৰি দিয়াৰ বাবে নেপাল চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিৰুদ্ধে নৱপ্ৰজন্মই বিক্ষোভ প্ৰদৰ্শন কৰিছিল। প্ৰশাসনে এই প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলোৱাৰ সময়তে কেতবোৰ বিক্ষিপ্ত ঘটনা ঘটে আৰু ১৯ গৰাকীকৈ লোক নিহত হোৱাৰ লগতে ৩০০ জনতকৈও অধিক লোক আহত হয়। নেপালৰ যোগাযোগ, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী পৃথ্বী গুৰুঙে কেবিনেটৰ জৰুৰী বৈঠকৰ পাছত চৰকাৰে সামাজিক মাধ্যমৰ মঞ্চসমূহ বন্ধ কৰি দিয়াৰ পূৰ্বৰ নিৰ্দেশনা বাতিল কৰা বুলি ঘোষণা কৰে। মন্ত্ৰী গুৰুঙে কয়, যে মন্ত্ৰালয়ে সংশ্লিষ্ট সংস্থাসমূহক  জেন জি অৰ্থাৎ নৱ প্ৰজন্মৰ দাবী অনুসাৰে সামাজিক মাধ্যমসমূহ পুনৰ মুকলি কৰি দিবলৈ নিৰ্দেশনা দিছে। উল্লেখযোগ্য যে, তিনি দিন পূৰ্বে নেপাল চৰকাৰে ফে'চবুক আৰু এক্স-হেণ্ডলকে ধৰি সামাজিক মাধ্যমৰ ২৬ খন মঞ্চ বন্ধ কৰি দিয়াৰ বাবে নিৰ্দেশ দিছিল। চৰকাৰৰ এই নিৰ্দেশনাই দেশখনৰ নৱপ্ৰজন্মৰ মাজত বিক্ষোভৰ ঢৌ তোলে। আৰক্ষী প্ৰশাসনে বিক্ষোভকাৰীসকলক দমন কৰিবলৈ পানী হিলৈ, কন্দুৱা গেছ আৰু ৰবৰৰ গুলী ব্যৱহাৰ কৰে। পাছত কেইবাজনো লোক এই ঘটনাত নিহত আৰু আহত হোৱাৰ ফলত প্ৰশাসনে পূৰ্বৰ সিদ্ধান্ত বাতিল কৰি যোৱা নিশাৰে পৰা সামাজিক মাধ্যমৰ মঞ্চসমূহ পুনৰ সক্ৰিয় কৰি দিবলৈ নিৰ্দেশ জাৰি কৰে।

০০০০০

জেৰুজালেমৰ নিৰ্দোষী সাধাৰণ নাগৰিকৰ ওপৰত হোৱা সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কঠোৰ ভাষাৰে গৰিহণা দিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতে সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপক গৰিহণা দিয়াৰ লগতে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এই আক্ৰমণত নিহত লোকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহত লোকসকলৰ আশুআৰোগ্য কামনা কৰিছে।

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানেহ্যুৱে জেৰুজালেমৰ সন্ত্ৰাসবাদীৰ আক্ৰমণক গৰিহণা দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখযোগ্য যে কালি পুৱাৰ ভাগত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণত জেৰুজালেমত ছগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাগৰাকীও লোক আহত হয়।

০০০০০

নতুন দিল্লীত কালি ভাৰত আৰু নিউজিলেণ্ডৰ মাজত বৈদেশিক কাৰ্যালয়ৰ ষষ্ঠ ৰাউণ্ডৰ আলোচনা অনুষ্ঠিত হয়। বৈঠকৰ সময়ত দুয়োখন দেশে প্ৰতিৰক্ষা আৰু নিৰাপত্তা, বাণিজ্য আৰু বিনিয়োগ, শিক্ষা, কৃষি, পৰম্পৰাগত চিকিৎসা, জলবায়ু পৰিৱৰ্তন, ক্ৰীড়া, আৰু জনসংযোগ আদি খণ্ডত দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে পৰ্যালোচনা কৰে। ভাৰতৰ হৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ দক্ষিণ মণ্ডলৰ সচিব ড° নীনা মালহোত্ৰা আৰু নিউজিলেণ্ডৰ হৈ দেশখনৰ বৈদেশিক পৰিক্ৰমা আৰু বাণিজ্য মন্ত্ৰালয়ৰ উপ-সচিব গ্ৰেহাম মৰ্টনে বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ সময়ত দুয়োপক্ষই যোৱা মাৰ্চ মাহত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ ভাৰত ভ্ৰমণৰ সময়ত হোৱা বুজাবুজিৰ চুক্তি আৰু ঘোষণাসমূহৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০

আবু ধাবীত আজি আৰম্ভ হ'বলগীয়া ১৭ সংখ্যক এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগীতাৰ উদ্বোধনী মেচত আফগানিস্তানে হংকঙৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ’ব। ২৮ ছেপ্টেম্বৰলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত মুঠ আঠটা দলে খিতাপ দখলৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ২০১৬ চনৰ পৰা এদিনীয়া আৰু টি-২০ ফৰ্মেটত পৰ্যায়ক্ৰমে খেলোৱা প্ৰতিযোগীতাখনত এইবাৰৰ সংস্কৰণটো টি-২০ ফৰ্মেটত খেলোৱা হ'ব । ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কাইলৈ অনুষ্ঠিত হ’বলগীয়া গ্ৰুপ ‘এ’ পৰ্যায়ৰ এখন মেচত আয়োজক সংযুক্ত আৰৱ আমিৰীৰ বিৰুদ্ধে টিম ইণ্ডিয়াই অভিযান আৰম্ভ কৰিব। পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰীক গ্ৰুপ এত তালিকাভুক্ত কৰা

হৈছে। শ্ৰীলংকা, আফগানিস্তান, হংকং আৰু বাংলাদেশক গ্ৰুপ বিত তালিকাভুক্ত কৰা হৈছে। টীম ইণ্ডিয়াই অন্তিমখন গ্ৰুপ পৰ্যায়ৰ খেল ১৯ ছেপ্টেম্বৰত ওমানৰ বিৰুদ্ধে খেলিব। ২০ ছেপ্টেম্বৰৰ পৰা প্ৰতিযোগিতাৰ ছুপাৰ ফোৰ পৰ্যায় আৰম্ভ হ'ব।

০০০০০

হংকং অ'পেন বেডমিণ্টন প্ৰতিযোগিতা ২০২৫ আজি আৰম্ভ হ'ব । দুবাৰৰ অলিম্পিক পদক বিজয়ী পিভি সিন্ধুৱে প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈৰ দলটোক নেতৃত্ব দিব। প্ৰথমখন মেচত সিন্ধুৱে ইউৰোপীয় চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী ডেনমাৰ্কৰ লাইন ক্ৰিষ্টোফাৰচেনৰ মুখামুখি হ'ব। পুৰুষৰ একক শাখাত লক্ষ্য সেনে শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিব। পুৰুষৰ একক শাখাত এইচ এছ প্ৰানয় আৰু আয়ুষ শ্বেট্টীয়েও খেলিব। পূৰ্বে বিশ্বৰ ১ নম্বৰ স্থানৰ খেলুৱৈ কিদাম্বী শ্ৰীকান্তে অৰ্হতা অৰ্জন ৰাউণ্ডত থাৰুণ মান্নেপল্লীৰ বিৰুদ্ধে খেলিব। পুৰুষৰ ডাবলছত ভাৰতৰ হৈ সাতৱিক সাইৰাজ ৰেংকিৰেড্ডী আৰু চিৰাগ শ্বেট্টীয়ে খেলিব। ভাৰতৰ হৰিহৰণ আমছা কৰুনন আৰু ৰুবন কুমাৰ ৰেথিনা ছাবপতিও বি ডব্লিউ এফ ছুপাৰ ফাইভ হাণ্ড্ৰেড প্ৰতিযোগিতাত পুৰুষৰ ডাবলছত অংশগ্ৰহণ কৰিব। মিক্সড ডাবলছ শাখাত ধ্ৰুৱ কপিলা-তানিশা ক্ৰাষ্টো আৰু ৰোহন কাপুৰ-ৰুথবিকা গাড্ডেৰ যুটি দুটাই খেলিব।

০০০০০

সমাপ্ত